যিয়ে এইটো পছন্দ কৰে যে, কিয়ামতৰ দিনা যেন আল্লাহে তাক কঠিন বিপদৰ পৰা ৰক্ষা কৰে, তেন্তে তেওঁ যেন ঋণ পৰিশোধ কৰিবলৈ অক্ষম ব্যক্তিক অৱকাশ দিয়ে, অথবা ক্ষমা কৰি দিয়ে।

আবু ক্বাতাদাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ এবাৰ এজন ঋণগ্ৰহীতাক বিচাৰি
গ'ল, যিয়ে তেওঁৰ পৰা ঋণ লৈ পলাই ফুৰিছিল। অৱশেষত তেওঁ তাক বিচাৰি পালে। ঋণ লোৱা ব্যক্তিজনে ক'লেঃ মই বৰ কঠিন সময় পাৰ কৰি আছোঁ। তেওঁ ক'লেঃ তুমি সঁচাই কৈছানে,
তেন্তে আল্লাহৰ শপত খোৱা। সি ক'লেঃ আল্লাহৰ শপত। তেতিয়া তেওঁ ক'লেঃ মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছোঁ, তেখেতে কৈছেঃ "যিয়ে এইটো পছন্দ কৰে
যে, কিয়ামতৰ দিনা যেন আল্লাহে তাক কঠিন বিপদৰ পৰা ৰক্ষা কৰে, তেন্তে তেওঁ যেন ঋণ
পৰিশোধ কৰিবলৈ অক্ষম ব্যক্তিক অৱকাশ দিয়ে, অথবা ক্ষমা কৰি দিয়ে।"
[ছহীহ] [(মুছলিম)]

আবু ক্বাতাদাহ এবাৰ এজন ঋণ লোৱা ব্যক্তিক বিচাৰি গ'ল, যিয়ে তেওঁৰ পৰা ঋণ লৈ পলাই ফুৰিছিল। অৱশেষত তেওঁ তাক লগ পালে। ঋণ লোৱা ব্যক্তিজনে ক'লেঃ মই ঋণ পৰিশোধ কৰিবলৈ অক্ষম, মোৰ অৱস্থা কঠিন। আপোনাৰ ঋণ পৰিশোধ কৰিব পৰা ধন মোৰ ওচৰত নাই। এই কথা শুনি আবু ক্বাতাদাই তেওঁক শপত খোৱালে যে, শপত খাই কোৱা যে, তোমাৰ ওচৰত কোনো সম্পদ নাই। তেতিয়া সি আল্লাহৰ শপত খাই ক'লে যে, সি কোৱা কথাখিনি সত্য। তেতিয়া আবু ক্বাতাদাহ ৰাদ্বিয়াল্লাহু আনহুৱে ক'লেঃ মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছোঁ তেখেতে কৈছেঃ যিয়ে পছন্দ কৰে তথা বিচাৰে যে, আল্লাহে তাক কিয়ামতৰ দিনা কঠিন বিপদৰ পৰা তথা ভয়াৱহ পৰিস্থিতিৰ পৰা ৰক্ষা কৰক, তেন্তে তেওঁ ঋণ পৰিশোধ কৰিবলৈ অক্ষম ব্যক্তিক অৱকাশ দিয়া উচিত তথা ঋণ পৰিশোধ কৰিবলৈ অধিক সময় দিয়া উচিত। অথবা ঋণৰ কিছু অংশ নাইবা সমূলি মাফ কৰি দিয়া উচিত।

http://www.sunnah.global/hadeeth/as/show/4195